* এবছাৰ্ড নাটক

~~দ্বিতীয় বিশ্বযুদ্ধৰ পিছত সমগ্ৰ পৃথিৱীতে অসম অনাগ্ৰহে~~

আধুনিক নাট্য সাহিত্য বুলি ক'লেই যিখিনি বিশেষ ধাৰাৰ বিষয়াৰ কথাই মনলৈ আহে তেনে এটি ধাৰা হৈছে এবছাৰ্ড নাটকৰ ধাৰা। এবছাৰ্ড নাটকৰ ধাৰা বৰ বেছি পুৰণি নহয়, এই নাটকসমূহত প্ৰচলিত ৰীতিৰ বিপৰীতে বিচ্ছিন্ন, ঐক্যহীন তথা কিছু অবাস্তৱ বিষয় উপস্থাপিত হয়। মূলতঃ দ্বিতীয় বিশ্বযুদ্ধৰ পিছত মানৱ সমাজখনে ওপৰা সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি ক্ষেত্ৰত যি পৰিৱৰ্তন আহিল তাৰ ফল স্বৰূপেই এবছাৰ্ড বা উদ্ভট নাটকৰ জন্ম। ১৯৫০ চনৰ পৰাহে মূলতঃ এই শ্ৰেণীৰ নাটকৰ সৃষ্টি হ'বলৈ ধৰে বুলি কোনো কোনো সমালোচকে ক'ব খোজে যদিও এই সময় নাটকলৈ বৈপ্লৱিক আহিল। জীৱন অন্বেষণৰ কিছু চিন্তাৰ মাজেৰেই উদ্ভট বা এবছাৰ্ড নাটকৰ জন্ম বুলি কিছু সমালোচকে ক'ব খোজে।

এবছাৰ্ড নাটকৰ বৈশিষ্ট্য —

* এনে নাটকত সুপৰিকল্পিত মানৱ চৰিত্ৰ পোৱা নাযায়।

* এই নাটকত পৰিণতি বুলিবলৈ বিশেষ একো নাথাকে।

* নাটকৰ কাহিনী বিন্যাসত যি পঞ্চসন্ধিযুক্ত, তিনি ঐক্যক বাধ্যবাধকতাৰ ৰূপত স্বীকাৰ কৰা হয়, সেয়া এবছাৰ্ড নাটকত সম্পূৰ্ণ উপেক্ষিত।

* এবছাৰ্ড নাটকৰ বাহ্যিক ৰূপটো যিমানেই অস্বাভাৱিক নহওক কিয়, ইয়াৰ অন্তৰালত পিছে সদায় এক সত্য নিহিত হৈ থাকে।

* মানুহৰ অস্তিত্বৰ অসাৰতা আৰু অৰ্থহীনতা এবছাৰ্ড নাটকৰ মূল বিষয়। জীৱনৰ যন্ত্ৰণা, হতাশা, নিঃসংগতা, অৱসাদ আদি ইয়াত প্ৰতিফলিত হয়।

পেৰিছ মহৰত অভিনীত, নাট্যকাৰ বেকেটৰ দি [illegible] নামৰ নাটকৰ পৰাই এবছাৰ্ড নাটকৰ সূচনা হয়।

মেটাৰলিংক অসমত হিচাপে একাঙ্ক নাটকৰ প্ৰতি বিভিন্ন লেখকৰ ইউ-
ৰোপীয় নাট্যকাৰ, স্ট্ৰিণ্ডবাৰ্গ আদি। ইউৰোপ বা আমেৰিকাৰ
নাটকসমূহৰ ভিতৰত সেইবিলাক জনপ্ৰিয় আৰু বহুচৰ্চিত নাটক
হ'ল নোবেল জয়ী আইৰিশ নাট্যকাৰ চেমুৱেল বেকেটৰ 'প্ৰতীক্ষা
অপেক্ষাত'। এই নাটকখনৰ বিষয়বস্তু উপস্থাপন, চৰিত্ৰ ৰচনা নাট্যৰূপ
আধুনিক নাট্যধাৰাত এক বিশেষ প্ৰভাৱ সৃষ্টি কৰে।

অসমত একাঙ্ক নাটকৰ প্ৰথম অনুষ্ঠান হয় ষাঠি দশকৰ
শেষ আৰু সত্তৰৰ দশকত – অৰুণ শৰ্মাৰ 'শ্ৰীনিবাৰণ ভট্টাচাৰ্য'
ত। এই দুঃসাহসিক কাহিনীযুক্ত নাটকখন সম্পূৰ্ণ প্ৰেক্ষাগৃহী নহয়
যদিও ইয়াৰ কাহিনীৰ সংগতিহীনতা আৰু পৰিস্থিতি অযৌক্তিকভাৱে
আছে এইখন নাটক একাঙ্কৰ দৰে হোৱা। পৰৱৰ্তী সময়ত ৰচনা কৰা
অৰুণ শৰ্মাৰ 'আহাৰ' সম্পূৰ্ণ একাঙ্ক নাটক।

একাঙ্ক নাট্যকাৰ হিচাপে অসমীয়া নাট্যজগতত বিশেষ
খ্যাতি পোৱা নাট্যকাৰ হ'ল – বসন্ত শইকীয়া। তেওঁৰ একাঙ্ক নাটক
হ'ল – মানুহ (১৯৭৭), অঙ্কুৰ (১৯৭৭) আৰু সূত্ৰপুৰুষ (১৯৭৬)। অঙ্কুৰ
নাটকত আয়োনেস্কোৰ দি লেছন নামৰ নাটখনৰ প্ৰভাৱ পৰিলক্ষিত
হয়।

গতিশীল সময়ৰ বুকুত যুগ জটিলৰ পৰা জটিলতৰ হৈ আহে, লগে লগে ক্ৰমাৎ জটিল হৈ আহে মানুহৰ মন। সেয়ে মানুহে জীৱনৰ গভীৰলৈ প্ৰৱেশ কৰি জীৱন-যন্ত্ৰণাৰ প্ৰকাশ কৰিবলৈ নতুন নতুন প্ৰকাশভংগীৰ অন্বেষণ কৰিবলৈ আৰম্ভ কৰিলে। ফলস্বৰূপে পুৰাতন মূল্যবোধৰ ভিত্তিত সৃষ্টি হ'ল নতুন মূল্যবোধ। নতুন কিছুমান মূল্যবোধে দৃষ্টিভংগী আৰু ৰুচিৰ পৰিবৰ্তন ঘটায়। পুৰণি প্ৰকাশভংগীৰে নতুন দৃষ্টিভংগী প্ৰকাশ কৰিব নোৱাৰি। কাৰণ বিষয়বস্তু আৰু ৰীতিৰ মাজত ওতপ্ৰোত সম্বন্ধ, তদুপৰি এটাৰ দ্বাৰা আনটো নিৰ্ণীত হয়। বিষয়বস্তুৰ লগে লগে প্ৰকাশৰীতিৰো পৰিৱৰ্তন ঘটে। বক্তব্য কি হ'ব সেয়াও নিৰ্ণয় কৰে যুগে। তদুপৰি দ্বিতীয় বিশ্বযুদ্ধৰ পাছত সমগ্ৰ পৃথিৱীতে প্ৰৱল ৰূপেৰে আত্মপ্ৰকাশ কৰিলে নৈৰাশ্যবাদ, নিঃসংগতাবোধ আদি ধাৰণাই। সেই সময়ত সমগ্ৰ বিশ্বতে তোলপাৰ লগোৱা বিজ্ঞানৰ ন ন আৱিষ্কাৰ, যেনে— হাইজেনবাৰ্গৰ অনিশ্চয়তাৰ নীতি *(Principle of Indeterminacy)*, আইনষ্টাইনৰ আপেক্ষিকতাবাদ *(Theory of Relativity)*, মানুহৰ অন্তৰ্লোক সম্পৰ্কে ফ্ৰয়েডৰ মনোবৈজ্ঞানিক তত্ত্ব, জাঁ পল ছাৰ্ত্ৰে প্ৰভৃতি চিন্তানায়কৰ অস্তিত্ববাদী চিন্তা, নীৎচে ঘোষণা কৰা ঈশ্বৰৰ মৃত্যু সম্পৰ্কীয় ধাৰণা, লুই আৰাগঁ, পল এলুৱাৰ আদিৰ পৰাবাস্তৱবাদী নৈৰাজ্যবাদ *(Surrealistic anarchism)* আদিয়ে জীৱনৰ অন্তঃসাৰশূন্যতা, বিশ্বাসহীনতা, ছিন্নমূল *(Rootless)* ধাৰণাৰ সৃষ্টি কৰিলে, জীৱনবোধৰ পৰিৱৰ্তন সাধিলে। উল্লেখযোগ্য যে জীৱনবোধ বোলা বস্তুটো নিৰ্ভৰ কৰে মানুহৰ বোধ আৰু বুদ্ধিৰ লগত সংশ্লিষ্ট তিনিটা সম্পৰ্ক সম্পৰ্কীয় ধ্যান-ধাৰণাৰ ওপৰত। সেই সম্পৰ্ক তিনিটা হ'ল— মানুহৰ লগত বিশ্বজগতৰ সম্পৰ্ক, মানুহৰ লগত মানুহৰ সম্পৰ্ক আৰু মানুহৰ লগত অন্তৰ্লোকৰ সম্পৰ্ক। নকলেও হয় প্ৰত্যেক যুগৰ মানুহৰ লগত এইবোৰ সম্পৰ্ক স্থাপিত হয় সংশ্লিষ্ট যুগটোৰ জ্ঞান-বিজ্ঞানৰ আয়ত্তাধীন ধ্যান-ধাৰণাৰ মাধ্যমত।

দ্বিতীয় মহাসমৰ, নীৎচে ঘোষণা কৰা ঈশ্বৰৰ মৃত্যু, বিজ্ঞানৰ অগ্ৰগতি আদি ঘটনাই যেতিয়া জীৱনৰ মূল্যবোধৰ ওপৰত প্ৰচণ্ড আঘাত হানিলে তেতিয়াই জীৱনৰ

অংহীনতাক লৈ, মানুহৰ অস্তিত্বক লৈ সন্দিহানৰ সৃষ্টি হ'ল। বিজ্ঞানৰ অগ্ৰগতিয়ে মানুহৰ পাৰ্থিৱ জগতখন সহজ কৰি দিলে যদিও মনোজগতখন কৰি তুলিলে অধিক জটিল। সেইকথা *Martin Esslin* -এ ব্যক্ত কৰিছে এনেদৰে—

> *The decline of religious faith was masked until the end of the Second World War by the substitute religions of faith in progress, nationalism, and various totalitarian fallacies. All this was shattered by war. By 1942, Albert Camus was calmly putting the question why, since life had lost all meaning, man should not seek escape in suicide. (Esslin, 1974, p.23)*

এই সময়ত জীৱন আৰু মৰণ দুয়োটাই মূল্যহীন হৈ পৰিল। পৃথিৱীৰ বহুতো ঘটনাৰেই কাৰণ আৰু অৰ্থ বিচাৰি লেখক আৰু সাহিত্যিকসকল হতাশ হ'ল। তেওঁলোকৰ সৃষ্টিত জীৱনৰ অৱস্থিতিয়ে অদ্ভুত আৰু উদ্ভট ৰূপ ধাৰণ কৰিলে, গোটেই জগতখনেই হৈ পৰিল এবছাৰ্ড। প্ৰচলিত নাট্যৰীতিৰে জীৱন আৰু জগতৰ এই ৰূপ দাঙি ধৰাটো অসম্ভৱ বুলি তেওঁলোকে বিবেচনা কৰিলে। ঐক্যবদ্ধ ঘটনা, যুক্তিপূৰ্ণ আৰু অৰ্থপূৰ্ণ সংলাপেৰে ৰচিত আৰু সুগঠিত নাটকৰ বিৰুদ্ধে তেওঁলোকে বিদ্ৰোহ ঘোষণা কৰিলে। তাৰ ফলস্বৰূপে এক নব্য নাট্যধাৰাৰ সৃষ্টি হ'ল পাশ্চাত্যত। সমালোচক *Martin Esslin* -এ এই শ্ৰেণীৰ নাটকক এবছাৰ্ড (*Absurd*) নাটক বুলি অভিহিত কৰে। এই নাট্যধাৰাৰ অন্যতম প্ৰৱক্তা ক্যেমুৰে এই বিষয়ে কোৱা মন্তব্যটিও উল্লেখযোগ্য—

> *A world that can be explained by reasoning, however faulty, is a familiar world. But in a universe that is suddenly deprived of illusions and of light, man feels a stranger. His is an irremediable exile, because he is deprived of memories of a lost homeland as much as he lacks that hope of a promised land to come. This divorce between man and his life, the actor and his setting, truly constituted the feeling of Absurdity." (Camus, 1942, p.18)*

এবছাৰ্ড নাটকত কাহিনীৰ (বিষয়বস্তু) উপস্থাপনৰ বাবে ধাৰাবাহিক সময়ৰ ক্ৰম ভাঙি পেলোৱা হয়। পূৰ্বৰ দৰ্শনশাস্ত্ৰৰ এটি ধাৰণা আছিল যে সময় বা কাল অজস্ৰ বিচ্ছিন্ন বিন্দুৰ এটি লানি। অথবা ক'ব পাৰি, সময় এটি বিন্দুৰ পৰা আনটো বিন্দুলৈ জঁপিয়াই জঁপিয়াই যায়। কিন্তু ঊনবিংশ শতিকাৰ শেষৰফালে ফৰাচী দাৰ্শনিক হেনৰি বেৰ্গচঁ আৰু মাৰ্কিন দাৰ্শনিক উইলিয়াম জেইমচে এই কথা নাকচ কৰি মন্তব্য কৰিলে এনেদৰে—

> *Consciousness, then does not appear to itself chopped up in bits... It is nothing joined; it flows ... Let us call it the stream of thought, of consciousness or of subjective life... (QI Allen, 1962, p. 345)*
>
> *... a succession of qualitative changes, which meet in to and permeate one another, without precise outlines without any tendency to enternalise themselves in relation to one another. (Q. I. Shiv, 1962, p. 9-10)*

বেৰ্গচেঁ এই সময়ক দুটা শ্ৰেণীত বিভক্ত কৰিছে— 'আন্তৰিক সময়' *(time in mind or inner time)* আৰু 'যান্ত্ৰিক সময়' *(clock time or mechanical time)*। দৈনন্দিন জীৱনত আমি সাধৰণতে যি সময় বিভাজন মানি চলোঁ সেয়া যান্ত্ৰিক সময় আৰু আমাৰ ব্যক্তিগত জীৱনত এনে এবিধ সময় আছে যি ঘড়ীৰ কাঁটাত ধৰা নিদিয়ে সেয়াই আন্তৰিক সময়। অনুভূতিজগতত বুৰ গৈ থকা প্ৰতিজন মানুহ এই আন্তৰিক সময়তেই বাস কৰে। আনহাতে এইখিনিতে আৰু এটা কথাই ক্ৰিয়া কৰি আছে। সেইটো হ'ল আধুনিক মনস্তত্ত্বৰ জনক 'ফ্ৰয়ড' আৰু 'য়ুঙে' ঊনবিংশ শতাব্দীৰ অন্ত আৰু বিংশ শতাব্দীৰ আদিতে ঘোষণা কৰা মানুহৰ চেতনাৰ বহুস্তৰপীয়া প্ৰকৃতি— একে সময়তেই এজন মানুহৰ চেতনাত কেইবাটাও কথাই ক্ৰিয়া কৰি থাকিব পাৰে। সেয়ে মানুহ মানুহৰ মাজত থাকিও একক আৰু নিঃসংগ। কোনেও কাৰো লগত যোগসূত্ৰ স্থাপন কৰিব নোৱাৰে কাৰণ প্ৰত্যেকেই নিজৰ নিজৰ আন্তৰিক সময়ত বাস কৰে। এবছাৰ্ড নাটকতো এনে ভাবধাৰাৰেই প্ৰকাশ ঘটে।

এবছাৰ্ড নাটকত এটি নিটোল কাহিনী দেখিবলৈ পোৱা নাযায়। মানুহৰ মনোজগতখন বিক্ষিপ্ত সেয়ে কেতিয়াও এটা সঠিক কাহিনীৰে তাক ব্যক্ত কৰিব নোৱাৰি। অসাৰ্থক, অযৌক্তিক, সংগতিহীন আৰু আদৰ্শহীন জীৱনৰ এটি নগ্ন পৰিস্থিতি অংকন কৰাই তেওঁলোকৰ উদ্দেশ্য। এবছাৰ্ড নাটকৰ নাট্যকাৰে বিশ্বাস কৰে,— যি খন সমাজত, জগতত চৰিত্ৰসমূহ বাস কৰে সেইখনৰেই কোনো অৰ্থ নাই, সংগতি নাই, উদ্দেশ্য নাই সেয়ে এই জীৱনৰ প্ৰকাশভংগীও সুগঠিত, সুশৃংখলিত নহয়। অৰ্থবান শব্দেৰে অৰ্থহীন জীৱনক বুজাব নোৱাৰি। আজিৰ প্ৰচলিত ভাষাৰে যন্ত্ৰণাজৰ্জৰ, শৃংখলাবিমুখ জীৱনক ব্যক্ত কৰা সম্ভৱ নহয়। আনহাতে এবছাৰ্ড নাটক প্ৰায় কাব্যিক ব্যঞ্জনাৰে ৰসাত্মক। গোটেই নাটকখন যেন এটা কবিতা য'ত কোনো এটা বিশেষ পৰিস্থিতিৰ ৰসাত্মক চিত্ৰ অথবা চিত্ৰাঙ্কন দেখা যায়।

এবছাৰ্ড নাট্য আন্দোলনৰ লেখকসকলে গতিৰ বিৰুদ্ধে প্ৰতিবাদ কৰিলেও গতিৰ প্ৰাণময়তাহে নাটকসমূহত পৰিলক্ষিত হয়। মেটাৰলিংক বা চেকভৰ নাট্যৰীতিত

যি নিশ্চলতা বা মন্থৰতাৰ প্ৰভাৱ সিয়েই অধিক প্ৰকটভাৱে ব্যৱহৃত হৈছে এবছাৰ্ড নাট্যৰীতিত। এবছাৰ্ড নাটকতো আন অন্য নাটকৰ দৰে বিস্ময় আৰু উৎকণ্ঠাৰ সৃষ্টি কৰে যদিও তাৰ কোনো অৰ্থপূৰ্ণ পৰিণতি নাথাকে। এবছাৰ্ড নাটকৰ চৰিত্ৰসমূহ কোনো উজ্জ্বল বা আমি সাধাৰণভাৱে ভাল বা বেয়া বুলি ক'লে যি ধৰণৰ চৰিত্ৰৰ কথা বুজোঁ তেনে চৰিত্ৰ নহয়। বৰঞ্চ প্ৰতিটো চৰিত্ৰ একো একোটা শ্ৰেণীৰ প্ৰতিনিধিহে। এইখিনিতে আৰু এটা কথা ক'ব পাৰি যে ফৰাচী কবি বড লেয়াৰে কোৱাৰ দৰে মানুহক জীয়াই থাকিবৰ বাবে কিবা এটা নিচাৰ প্ৰয়োজন, সেই কথাকেই সাৰোগত কৰি প্ৰত্যেকেই নিজৰ নিজৰ কৰ্মক্ষেত্ৰত মাতাল।

এবছাৰ্ড নাটকত নীৰৱতাৰ ব্যৱহাৰো মন কৰিবলগীয়া। এই ধাৰাৰ নাটকত দৰ্শকৰ কাৰণে নাট্যকাৰৰ কোনো বক্তব্য নাই, তেওঁলোকৰ লগত সংযোগ স্থাপন হোৱাটোও বিচৰা নহয়, কেৱল বাস্তৱৰ আপাত দৃষ্টিত থাকি যোৱা ঘটনাৰাজিক চিত্ৰিতহে কৰা হয়।

প্ৰসংগক্ৰমে উল্লেখ কৰি যোৱা হ'ল যে, ফৰাচী দাৰ্শনিক এলব্যাৰ্ট কেমুৱে ১৯৪২ চনত লিখা *The Myth of Sisyphus* নামৰ গ্ৰন্থখনৰ এখন ৰচনাত পোন প্ৰথমবাৰৰ বাবে *এবছাৰ্ড* শব্দটি ব্যৱহাৰ কৰিছিল। তেওঁ এই শব্দটি *devoid of purpose* অৰ্থত ব্যৱহাৰ কৰিছিল। "এটা সময়ত এবছাৰ্ড শব্দটোৰ সমাৰ্থক শব্দ হিচাপে অসমীয়াত 'উদ্ভট' শব্দটো প্ৰয়োগ কৰা হৈছিল। কিন্তু সাম্প্ৰতিক কালৰ সমালোচকসকলে 'উদ্ভট' শব্দই এবছাৰ্ড (নাটকৰ ক্ষেত্ৰত)ৰ সম্পূৰ্ণ অৰ্থ বহন নকৰে বুলি বিবেচনা কৰি অসমীয়া ভাষাত (আনকি অনেক ভাৰতীয় ভাষাতো) 'এবছাৰ্ড' শব্দকে ব্যৱহাৰ কৰে।" (গোস্বামী, ২০১২, পৃ.২৪)

ভাৰতীয় সাহিত্য/নাট্য ক্ষেত্ৰত বাংলা নাট্যকাৰ-পৰিচালক বাদল সৰকাৰৰ এবং ইন্দ্ৰজিত (১৯৬০) নামৰ নাটকখনক প্ৰথম ভাৰতীয় এবছাৰ্ড নাটক বুলি বিবেচনা কৰা হয়। অসমীয়া নাট্যকাৰ অৰুণ শৰ্মাৰ *আহাৰ* (১৯৬৪) এখন সাৰ্থক এবছাৰ্ড নাটক। এইখনৰ লগতে পৰৱৰ্তী কালত ৰচনা কৰা বসন্ত শইকীয়াৰ *মৃগতৃষ্ণা* (১৯৭২), *মানুহ* (১৯৭৭) আৰু *অসুৰ* (১৯৭৭) আদি উল্লেখযোগ্য অসমীয়া এবছাৰ্ড নাটক।